ত

.ৰীৰ জন্ম
ৰেছৰ জন্ম
টাটনাগৰৰ জন্ম
ট আৰম্ভ


স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ক ☐ ১১ ছেপ্টেম্বৰ ২০২৫ চন ☐ VOL-15 ☐ NO-187 ☐ THURSDAY 11 SEPTEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRU


### সমল ব্যক্তি হিচাপে অংশগ্ৰহণ মেঘনা কৌশিকৰ

## কানৈ মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ বিকাশ-কেৰিয়াৰ প্ৰস্তুতি সম্পৰ্কীয় কাৰ্যসূচী

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** 'কেৰিয়াৰ এখন বিমানৰ দৰে— উৰণ ল'বলৈ শিক্ষা আৰু দক্ষতাৰ দৃঢ় ৰানৱে লাগে, সঠিক দিশত আগবাঢ়িবলৈ পথ লাগে আৰু ওপৰৰ উচ্চতালৈ উৰা মাৰিবলৈ সাহস লাগে।' কেৰিয়াৰ কাউন্সেলৰ আৰু ছ'ফট-স্কিল প্ৰশিক্ষক মেঘনা কৌশিকে এইদৰে কয়। ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ গণসংযোগ, কম্পিউটাৰ ছায়েঞ্চ, জৈৱ-প্ৰযুক্তি বিভাগ, ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিবাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ কেৰিয়াৰ কাউন্সেলিঙৰ যৌথ উদ্যোগত অনুষ্ঠিত 'শিক্ষাৰ্থীৰ বিকাশ আৰু কেৰিয়াৰ প্ৰস্তুতি কাৰ্যসূচী'ত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৌশিকে কয়— শিক্ষা কেতিয়াও সীমাৰ ভিতৰত বন্দী হ'ব নালাগে। সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ অধ্যাপিকা লুনাৰাণী গগৈয়ে আঁত ধৰা অনুষ্ঠানত কৌশিকে কয়— 'প্ৰেৰণা আৰু নিচা নাথাকিলে কেৰিয়াৰৰ একো মূল্য নাথাকে। তেওঁ কয়— একেলগে স্বাস্থ্যকৰ মানসিকতা আৰু গ্ৰহণযোগ্যতাই কেৰিয়াক সফলতালৈ ধাৱিত কৰে।

অনুষ্ঠানত বিভাগৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিবাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ আবাসীসকল উপস্থিত থাকে। মন কৰিবলগীয়া যে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ জৈৱ-প্ৰযুক্তি বিভাগৰ উদ্যোগত ৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। জৈৱ-প্ৰযুক্তি বিভাগৰ মুৰব্বী অতনু কোঁৱৰৰ আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° ৰূপামণি ঠাকুৰ। ড° ঠাকুৰে 'Electron Transport Chain and Oxidative Phosphorylation' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি Electron Transport Chain and Oxidative Phosphorylationৰ ভূমিকা ব্যাখ্যা কৰে। তেওঁ কয়— কাৰ্বহাইড্ৰেট আৰু প্ৰটিন মেটাব'লিজমৰ পৰা ইলেকট্ৰন ট্ৰান্সপৰ্ট চেইনলৈ ইলেকট্ৰন কেনেদৰে আহে সেই বিষয়ে বিশদ ব্যাখ্যা আগবঢ়ায় আৰু ইলেকট্ৰন ট্ৰান্সপৰ্ট চেইনে গঠন কৰা প্ৰটিন গ্ৰেডিয়েণ্ট এটিপি ছিন্থেজৰ সহায়ত ব্যৱহাৰ কৰি এডিপিৰ পৰা এটিপি উৎপাদন কৰাৰ প্ৰক্ৰিয়াৰ বিষয়ে জনায়। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে জৈৱ-প্ৰযুক্তিৰ ন ন উপযোগীতাৰ বিষয়ে ব্যাখ্যা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক চাকৰিকেন্দ্ৰিক নহৈ জৈৱ-প্ৰযুক্তিৰ শিক্ষা লৈ নিজকে আত্ম স্বাৱলম্বী হ'বলৈ উৎসাহ যোগায়। অনুষ্ঠানত সমল ব্যক্তি ড° ঠাকুৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক প্ৰশ্নোত্তৰ শিতানতো অংশগ্ৰহণ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক সঞ্জীৱ সন্দিকৈৰ লগতে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।



আইন আৰেক্ষণ বিষয়া পল্ল
শইকীয়াই শিশু সুৰক্ষাৰ ওপৰ
সকলো দিশ সামৰি ভাষণ প্ৰদ
কৰে। ঘিলাধাৰী থানাৰ অৱসৰপ্ৰ
চক্ৰ সংগঠক কমল হাজৰিক
ঘিলাধাৰী বাগানৰ সমাজ কল্য
বিষয়া বীৰেন খেৰীয়া, ঘিলাধ
আৰক্ষী থানা কমিটীৰ সম্পাদ
পৰাগ বৰুৱা, উপ-সভাপতি গো
তাঁতী, ঘিলাধাৰী বাগানৰ চ
মজদুৰ সংঘৰ সম্পাদক বাবু
বাউৰী উপস্থিত থাকি অবৈধ সু
জুৱা খেল আৰু অসামাজিক কা
কাজ সন্দৰ্ভত বক্তব্য ৰাখি উপস্থি
ৰাইজক সজাগ কৰি তোলে লগ
দুৰ্গা পূজাৰ সময়ত বাগিচাৰ প
দিয়া বোনাছৰ সদ্ব্যৱহাৰ আ
পূজাৰ সময়ত বাগিচাত যা
কোনো অসামাজিক কৰ্ম সংঘটি
নকৰে, সেই সন্দৰ্ভত ভাষণ প্ৰদ
কৰে। লগতে সভাই সিদ্ধান্ত গ্ৰহ
কৰে যে যিসকল লোকে বাগি
অঞ্চলত অসামাজিক কাম-কা
চলাই থাকি ধৰা পৰে তেতিয়
আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধ
লয়। সভাত আটছা ফৰকাটি
উপশাখা সমিতিৰ সম্পাদক শংক
চাহু, ঘিলাধাৰী বাগান চাহ মজদু
সংঘৰ সভানেত্ৰী আৰতি মিধ
ঘিলাধাৰী গাঁও পঞ্চায়তৰ উপ
সভানেত্ৰী অঞ্জুমণি মানকী বাউ
আঠখেলীয়া পঞ্চায়তৰ ৱাৰ্ড সদস
মমী কৰ্মকাৰ, ঘিলাধাৰী বাগা